Technical Bulletin : AAU/KVK(DMJ)/OP/3/15/025

# উদ্ভিদৰ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা



বিভা ওজা
গুঞ্জন গগৈ
য়াতেৰ দাস
বিনীতা কোঁৱৰ
মনোৰঞ্জন গগৈ
স্বপন কুমাৰ শৰ্মা
ড° অসীম কুমাৰ শইকীয়া
ড° ৰিজুস্মিতা শৰ্মা ডেকা

কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজি
অসম কৃষি বিশ্ববিদ্যালয়
চিলাপথাৰ - ৭৮৭০৫৯

# উদ্ভিদৰ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা

কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবে শস্যৰ উন্নত আৰু অধিক উৎপাদনক্ষম জাতসমূহ অতি গুৰুত্বপূৰ্ণ। এনে জাতসমূহৰ উন্নীতকৰণত যুগ যুগান্তৰৰ পৰা ভাৰতীয় কৃষকসকলৰ অৱদান যথেষ্ট আছে। এই ক্ষেত্ৰত ভিন্ন জনজাতীয় কৃষকসকলৰ অৱদান সৰ্বাধিক। নিত্য প্ৰয়োজনীয় খাদ্য শস্যকে ধৰি ফলমূল, শাক-পাচলি, বনৌষধি আদি উদ্ভিদৰ বিভিন্ন জাত কৃষকসকলেই পুৰুষানুক্ৰমে সংৰক্ষণ কৰি আহিছে। উদ্ভিদৰ নতুন জাত সৃষ্টি কৰিবলৈ কৃষকে সংৰক্ষণ আৰু প্ৰতিপালন কৰি ৰখা এই জাতবোৰহে বিজ্ঞানীসকলে ব্যৱহাৰ কৰি আহিছে। সেয়েহে, উদ্ভিদৰ জাত, কৃষক আৰু উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ সুৰক্ষিত হলেহে নতুন জাত সৃষ্টিৰ বাবে অনুকুল পৰিবেশ আশা কৰিব পাৰি। এই ধৰণৰ সুৰক্ষাই ভাৰতৰ বীজ উদ্যোগক টনকিয়াল কৰাৰ লগতে দেশখনৰ কৃষকৰ বাবে উন্নতমানৰ বীজ আৰু ৰোপন সামগ্ৰী সহজলভ্য কৰি তুলিব। এনেবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰাৰ বাবেই "উদ্ভিদৰ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইন ২০০১" ভাৰত চৰকাৰে প্ৰণয়ন কৰিছে।

**এই আইনৰ মূল উদ্দেশ্যসমূহ হ'ল —**

১। উদ্ভিদৰ নতুন জাত বিকাশৰ বাবে কৃষকৰ অধিকাৰখিনি চিনাক্ত কৰি সুৰক্ষিত কৰা।

২। দেশখনত কৃষি বিকাশ দ্ৰুততৰ কৰাৰ বাবে উদ্ভিদ প্ৰজননবিদৰ অধিকাৰ ৰক্ষা কৰা আৰু নতুন জাত উদ্ভাৱনৰ বাবে ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডত গৱেষণা আৰু বিকাশৰ বাবে পুঁজিৰ বিনিয়োগ বঢ়োৱা।

৩। কৃষকৰ মাজত উচ্চমানৰ বীজ আৰু ৰোপন সামগ্ৰী সহজলভ্য কৰাৰ বাবে বীজ উদ্যোগৰ উন্নয়ন কৰা।

২০০১ চনৰ উদ্ভিদৰ জাত আৰু কৃষক অধিকাৰ অধিনিয়মৰ আওঁতাতে কেন্দ্ৰীয় চৰকাৰে ২০০৫ চনৰ ১১ নৱেম্বৰত উদ্ভিদৰ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা প্ৰাধিকৰণ গঠন কৰে।

**এই প্ৰাধিকৰণৰ কাৰ্য্যাৱলীসমূহ হ'ল—**

১। এই প্ৰাধিকৰণৰ মূল কাম হ'ল উদ্ভিদৰ নতুন জাতৰ লগতে প্ৰচলিত জাতবোৰ পঞ্জীয়ন কৰা। এই ক্ষেত্ৰত কোনো গুনসম্পন্ন এবিধ শস্য বা উদ্ভিদে এটা 'জাত' (Variety) হিচাবে পৰিগনিত হবলৈ তিনিটা মূল চৰ্ত পূৰণ কৰিবলগীয়া হয়। প্ৰথমে পঞ্জীয়ন কৰিবলৈ লোৱা জাতবোৰ হব লাগিব আনতকৈ পৃথক অৰ্থাৎ Distinct। দ্বিতীয়তে বছৰে বছৰে খেতি কৰি থাকিলেও জাতটোৰ একৰূপতা অৰ্থাৎ Uniformity থাকিব লাগিব আৰু তৃতীয়তে, জাতটোৰ উল্লেখিত চৰিত্ৰ সমূহৰ স্থিৰতা অৰ্থাৎ Stability অক্ষুন্ন থাকিব লাগিব।

২। নতুন জাত সৃষ্টিত উৎসাহ যোগোৱাৰ অৰ্থে কৃষক আৰু প্ৰজননবিদৰ অধিকাৰ ৰক্ষা কৰা।

৩। এই অধিনিয়মৰ অধীনত পঞ্জীয়ন কৰা জাতবোৰ সূচীবদ্ধ কৰা।

৪। কৃষকৰ জাতবোৰৰ নথিভুক্ত অৰু সূচীবদ্ধকৰণ আদিৰ ব্যৱস্থা কৰা।

৫। পঞ্জীয়ন কৰা জাতবোৰৰ বীজৰ যোগান সুনিশ্চিত কৰা।

৬। কৃষক আৰু কৃষকৰ গোটবোৰক স্বীকৃতি প্ৰদান কৰাৰ লগতে উপযুক্ত মাননিৰে পুৰস্কৃত কৰা। এই ক্ষেত্ৰত গ্ৰামীণ আৰু জনজাতীয় কৃষক তথা কৃষকৰ গোটক বিশেষ গুৰুত্ব প্ৰদান কৰা হয়।

৭। উদ্ভিদৰ জাতৰ ৰাষ্ট্ৰীয় পঞ্জীয়ন বহীখন প্ৰতিপালন কৰি ৰখা।

৮। জাতীয় জিন বেংক গঠন আৰু প্ৰতিপালন কৰা।

৯। বিশিষ্টতা একৰূপতা আৰু স্থিৰতা পৰীক্ষণৰ মানৰ বিকাশ কৰা।

**উদ্ভিদৰ জাত আৰু কৃষক অধিকাৰ সুৰক্ষা আইনে (২০০১) দিয়া অধিকাৰবোৰ হ'ল—**

১। **প্ৰজননবিদৰ অধিকাৰ ঃ-**

উদ্ভিদ প্ৰজননবিদে উদ্ভাৱন কৰা শস্যৰ জাত পঞ্জীয়ন ভুক্ত হ'লে তেনেজাতৰ বীজ উৎপন্ন, বিক্ৰী, বিপনন, বিতৰণ আৰু ৰপ্তানি কৰাৰ একমাত্ৰ অধিকাৰ সেই জাতৰ জন্মদাতা অৰ্থাৎ প্ৰজননবিদজনেহে ভোগ কৰিব পাৰে।

২। **গৱেষকৰ অধিকাৰ ঃ-**

পঞ্জীয়ন কৰা জাতৰ বীজ কোনো গৱেষকে নিজৰ গৱেষণা তথা অধ্যয়নৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

৩। **কৃষক অধিকাৰ ঃ-**

কৃষকে এটা জাত প্ৰতিপালন কৰি ৰাখিলে তেওঁকো প্ৰজননবিদৰ দৰেই স্বীকৃতি আৰু অধিকাৰ প্ৰদান কৰা হয়। থলুৱা অৰ্থকাৰী উদ্ভিদ অৰু ইয়াৰ বন্য প্ৰজাতিবোৰ সংৰক্ষণ কৰি ৰখাৰ বাবে কৃষকক জিন নিধিৰ তৰফৰ পৰা পুৰস্কৃত কৰাৰো ব্যৱস্থা আছে। এই আইনে কৃষকক দিয়া সাতটা অধিকাৰ এনেধৰণৰ—

১। কৃষকৰ জাত পঞ্জীয়ন কৰাৰ অধিকাৰ আৰু তাৰ যোগেদি কৃষক সকলে প্ৰজননবিদৰ অধিকাৰ লাভ।

২। শস্যৰ ভূমি জাত আৰু বন্য সম্বন্ধীয় অনুবংশিক সম্পদৰ সংৰক্ষক ৰূপে লাভাংশৰ অধিকাৰ।

৩। পঞ্জীয়নকৃত জাতৰ মুক্তভাৱে খেতি কৰা, সচঁ ৰখা, বীজ বিনিময় কৰা আৰু বিক্ৰী কৰাৰ অধিকাৰ (ব্ৰেণ্ডযুক্ত বীজ বিক্ৰী কৰাৰ বাবে অৱশ্যে প্ৰজননবিদৰ অনুমতিৰ প্ৰয়োজন)।

৪। কৃষক সম্প্ৰদায়ৰ দ্বাৰা প্ৰতিপালিত উদ্ভিদ সম্পদ ব্যৱহাৰ কৰি প্ৰজননবিদে নতুন জাত উদ্ভাৱন কৰিলে তাৰ বাণিজ্যিকৰণৰ যোগেদি যি আৰ্থিক লাভ হ'ব তাৰ এক ন্যায়সংগত অংশ কৃষক সম্প্ৰদায়ে দাবী কৰিব পাৰিব।

৫। কৃষকসকলে জ্ঞাত বা অজ্ঞাত ভাবে প্ৰজননবিদৰ অধিকাৰ হানি কৰা কাম কৰিলে তেনে অপৰাধৰ পৰা কৃষকসকলে ৰেহাই পাব।

৬। কৃষকৰ জাত পঞ্জীয়ন, ন্যায়াধিকৰণ বা ন্যায়ালয়ৰ কাৰ্যক্ৰমণিকাৰ বাবে দিব লগা সকলো মাচুলৰ পৰা ৰেহাই পাব।

৭। পঞ্জীয়নকৃত জাতৰ খেতি কৰি প্ৰজননবিদে দাবী কৰা উৎপাদন অনুৰূপ পৰিবেশত খেতি কৰি কৃষকসকলৰ লোকচান হ'লে ক্ষতিপূৰণ পোৱাৰ অধিকাৰ।

**উদ্ভিদজাত পঞ্জীয়ন ঃ-**

প্ৰাধিকৰণে জাননী জাৰি কৰা শস্যৰ জাতহে পঞ্জীয়নৰ বাবে বিবেচনা কৰা হয়। বৰ্তমান ৯২ বিধ শস্যৰ জাত পঞ্জীয়নৰ বাবে মুকলি কৰা হৈছে। এই শস্যবোৰৰ ভিতৰত আমাৰ অঞ্চলত পোৱা কেইবিধমান শস্যৰ নাম তলত উল্লেখ কৰা হ'ল—

| | | |
|---|---|---|
| ধান জাতীয় | ঃ- | ধান, ঘেঁহু, মাকৈ, যৱধান, জোৱাৰ। |
| মাহ জাতীয় | ঃ- | ৰহৰ, বুট, মাটিমাহ, মগুমাহ, ফ্ৰেঞ্চবীন, মচুৰ, মটৰ, লেচেৰা মাহ। |
| তৈলবীজ | ঃ- | এৰাগুটি, সৰিয়হ, চয়াবীন, তিচি, বাদাম, সূৰ্যমুখী, গুজিতিল, তিল, চেফ্লাৱাৰ। |
| আঁহজাতীয় | ঃ- | কপাহ, মৰাপাট |
| শাক-পাচলি | ঃ- | পিয়াজ, নহৰু, ভেণ্ডি, বন্ধাকবি, ফুলকবি, আলু, বিলাহী, বেঙেনা, তিতা কেৰেলা, জাতিলাও, তিয়হ, ৰঙালাও। |
| মচলা শস্য | ঃ- | আদা, হালধি, জালুক, সৰু ইলচি, ধনীয়া, মিথি। |
| ফল শস্য | ঃ- | আম, নাৰিকল, ডালিম, নাচপতি, বগৰী, কল। |
| ফুল | ঃ- | গোলাপ, নয়নতৰা, ক্ৰিচেনথেমাম, অৰ্কিড, লতা গোলাপ, বগেন ভেলিয়া। |
| ঔষধি শস্য | ঃ- | পদিনা, ইচাবগোল, ব্ৰাহ্মী। |
| চেনিশস্য | ঃ- | কুঁহিয়াৰ। |
| টেঙা জাতিয় | ঃ- | কমলা আৰু মৌচম্বী। |
| অন্যান্য | ঃ- | চাহ, ইউকেলিপ্টাছ, কেজুৰিনা। |

প্ৰাধিকৰণে বছৰি উদ্ভিদ জিনসমগ্ৰ ৰক্ষক পুৰস্কাৰ কৃষক বা সমূহীয়াকৈ কৃষক সম্প্ৰদায়ক প্ৰদান কৰে। সমূহীয়া পুৰস্কাৰ পাঁচটা কৃষক সম্প্ৰদায়ক দিয়া হয় আৰু এই পুৰস্কাৰত থাকে এখন প্ৰশস্তি পত্ৰ, এটা স্মাৰক আৰু ১০ লাখ টকা নগদ ধন। কৃষক পুৰস্কাৰ বছৰি দহজনক দিয়া হয় আৰু এই পুৰস্কাত এখন প্ৰশস্তি পত্ৰ, এটা স্মাৰক আৰু নগদ এক লাখ টকা প্ৰদান কৰা হয়। কৃষক স্বীকৃতি পত্ৰ বছৰি ২০ জন কৃষকক দিয়া হয়। ইয়াত থাকে একোখন প্ৰশস্তি পত্ৰ আৰু একোটা স্মাৰক।

উল্লেখযোগ্য যে এখন আইন সফল ভাৱে ৰূপায়িত কৰিবলৈ ইয়াৰ লগত জড়িত সকলো অংশীদাৰীয়ে সামগ্ৰিক ভাৱে প্ৰচেষ্ঠা হাতত লব লাগিব। বিশেষকৈ আমাৰ কৃষক সকলে তেখেতসকলৰ লগত থকা আপুৰুগীয়া উদ্ভিদৰ জাত সমূহ পঞ্জীয়ন কৰি, সেই বিলাকৰ বাণিজ্যিকিকৰণ কৰাত গুৰুত্ব আৰোপ কৰাৰ লগত সেই জাত সমূহৰ পৰা উচ্চ উৎপাদনক্ষম নতুনজাত উদ্ভাৱন কৰিবলৈ প্ৰজনন বিদসকলক সহায় কৰিলেহে কৃষি ক্ষেত্ৰত ভাৰতবৰ্ষ প্ৰগতিৰ দিশত আগবাঢ়িব বুলি আশা কৰিব পাৰি।

**অসম কৃষি বিশ্ববিদ্যালয় অন্তৰ্গত চিলাপথাৰস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজিৰ হৈ আঁচনি সমন্বয়ক ড° ৰিজুস্মিতা শৰ্মা ডেকাদ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত**

**অলংকৰণ ঃ বিষ্ণু নাৰায়ন ফুকন, আঁচনি সহায়ক (কম্পিউটাৰ), কৃষি বিজ্ঞান কেন্দ্ৰ, ধেমাজি**